অধ্যায় ৯ ঃ অধিবিজ্ঞান বিৰোধী ঃ কাণ্ট

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য
৯.২ পৰিচয়
৯.৩ অধিবিজ্ঞানৰ সম্ভাৱনীয়তা
৯.৪ আভ্যন্তৰীন বনাম অতীন্দ্রিয় অধিবিদ্যা
৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৯.৬ অধিক জানিবলৈ
৯.৭ অগ্রগতি খতিয়ান
৯.৮ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়নকৰি আপুনি ঃ—

- "প্রথম দর্শন" — হিচাপে অধিবিজ্ঞানৰ বিষয়ে জানিবলৈ সক্ষম হ'ব
- অধিবিজ্ঞানৰ বিলুপ্তিকৰণৰ বিষয়ে শিকিবলৈ সক্ষম হ'ব
- অধিবিজ্ঞানৰ সন্দর্ভত কাণ্টৰ স্থিতিক জানিবলৈ সক্ষম হ'ব
- কাণ্টৰ মতে, অতীন্দ্রিয় অধিবিজ্ঞান সম্ভৱ নে? তাক জানিবলৈ সক্ষম হ'ব
- আভ্যন্তৰীক অধিবিজ্ঞানৰ সম্পর্কত কাণ্টৰ স্থিতিৰ বুজ ল'বলৈ সক্ষম হ'ব।

৯.২ পৰিচয় ঃ

এৰিষ্ট'টলে অধিবিজ্ঞানক 'প্রথম দর্শন' হিচাপে বর্ণনা কৰিছে, যাক সত্ত্বা বা অস্তিত্বৰ বিজ্ঞান হিচাপে বুজিব লাগিব। এই সংজ্ঞাটোত বিজ্ঞান শব্দক কাৰণৰ দ্বাৰা হোৱা জ্ঞানৰ শাস্ত্রীয় অর্থত ব্যৱহাৰ কৰা হৈছে। ইয়াত জ্ঞানক মতামতৰ সৈতে তুলনা কৰা হৈছে। আনহাতে কাৰণক প্রাকৃতিক নিয়ম শৃংখলাত প্রথম নীতি বা বিধি হিচাপে ধৰা হৈছে এই অর্থত যে ইয়াতকৈ কোনো উচ্চ আৰু অধিক সম্পূর্ণ একো নাই। সেয়েহে, অধিবিজ্ঞান আৰম্ভ হয় 'সত্ত্বা' সম্পর্কীয় মৌলিক প্রশ্ন উত্তৰৰ মাজত যিকোনো অনুসন্ধানক অন্তর্ভুক্ত কৰিবলৈ। এইদৰে দর্শনৰ বিভাগসমূহৰ এক মুখ্য অংশ হিচাপে অধিবিজ্ঞানক প্রকৃতিগতভাৱে ঠাৱৰ কৰা হয়।

অধিবিজ্ঞান বিৰোধী (anti - metaphysics) হৈছে চিন্তাৰ এক প্ৰকাৰ, যিয়ে অধিবিজ্ঞানৰ বিনস্ত তাক দাবী কৰে। ই অধিবিজ্ঞানক জ্ঞানৰ অগ্ৰগতিত এক প্ৰতিবন্ধক হিচাপে মানি লয়। অধিবিজ্ঞান বিৰোধীয়ে সাব্যস্ত কৰিব বিচাৰে যে অধিবিজ্ঞানে সত্ত্বাৰ কোনো সত্য উক্তি উত্থাপন কৰিব নোৱাৰে; তাৰ পৰিবৰ্ত্তে ই হৈছে এক প্ৰকাৰ স্পষ্ট 'সাথঁৰ' (Paradox) আৰু "উজ্বলি থকা অসত্যতা" বিশেষ।

সেয়েহে, অধিবিজ্ঞান, যাক এটা সময়ত "বিজ্ঞানৰ ৰাণী" আখ্যা দিয়া হৈছিল, বৰ্ত্তমান দৰ্শনৰ পৰিসৰত পৰিত্যক্ত হৈ পৰিছে। অধিবিজ্ঞানৰ পৰম্পৰাগত অৰ্থ আধুনিক দাৰ্শনিক সকলোৰ দ্বাৰা সমৰ্থিত নহয়, যিসকলে এই মত বা দৃষ্টিভঙ্গী অৱলম্বন কৰে যে মৌলিক পূৰ্বানুমানৰ সহায়েৰে সামগ্ৰিক ভাৱে জগতৰ বিষয়ে দাৰ্শনিকসকলোৰ অভিজ্ঞতাক ব্যাখ্যা কৰিবলৈ অধিবিজ্ঞানে চেষ্টা কৰে। অধিবিজ্ঞানৰ এই সংজ্ঞাটো ভাষা ব্যৱস্থাৰ প্ৰশ্নৰ সৈতে সম্পৰ্কযুক্ত। A.J.Ayer ৰ মতে, জগতৰ অৰ্থ দাৰ্শনিকসকলৰ ধাৰণাগত প্ৰণালীৰ ওপৰত নিৰ্ভৰশীল। তেওঁ আঙুলিয়াই দিয়ে যে, "দৰ্শনে ভাষাৰ সংগঠনক পুনৰ ৰূপ প্ৰদানৰ দ্বাৰা ৰীতিগতভাৱে জগত পৰিবৰ্তন কৰিব পাৰে।" "(Philosophy can change the world formally by refashioning the structure of the language.)"

এইয়াই হৈছে বিভিন্ন সময়ত দাৰ্শনিকসকলৰ বিভিন্ন সম্প্ৰদায়ে অধিবিজ্ঞানক কেনেকৈ পৰিবৰ্তিত দৃষ্টিভঙ্গীৰ সৈতে চায় আৰু ব্যাখ্যা কৰে।

বিভিন্ন সময়ত বিভিন্ন অধিবৈজ্ঞানিকৰ হাতত অধিবিজ্ঞানে বিভিন্ন বাহ্যিক আকাৰ ল'ব লগা হৈছে। কিন্তু অধিবিজ্ঞানিকসকলে বুজোৱাৰ দৰে ই হৈছে সত্তাৰ আৱশ্যকীয় বিজ্ঞান। আমাৰ যুগটো এক বিজ্ঞানৰ যুগ, কিন্তু কোনো সদায়ৰ বাবে পূৰ্ণ বা সঠিক নহয়, কেতিয়াবা, ই কেতবোৰ, অযুক্তিকৰ নাইবা অসঙ্গঁত কথাও আকোঁৱালি লয়। সেইকাৰণে, বৈজ্ঞানিক অসঙ্গঁত কথা অৰ্থহীনৰ দ্বাৰা প্ৰভাৱান্বিত কেতবোৰ দাৰ্শনিকে "no more metaphysics" বুলি দাবী উঠাইছে।

যিহেতু নতুন পৰ্য্যবেক্ষনৰ সৈতে অধিবিজ্ঞানৰ বিভিন্ন প্ৰকাৰ আছে, সেয়ে বহিষ্কৰণৰ এক উদ্দেশ্য নাইবা বিলুপ্তি কৰণৰ দাবীৰ সৈতে অধিবিজ্ঞান বিৰোধীৰো বিভিন্ন প্ৰকাৰ আছে। বিদ্ৰুপভাৱে, প্ৰত্যেক অধিবিজ্ঞান বিৰোধীৰ নিদৰ্শনত অধিবিজ্ঞানক সমালোচনা কৰি ইয়াৰ সম্ভাৱনীয়তাৰ কেতবোৰ প্ৰমাণ আগবঢ়ায়, এনেধৰণৰ পদ্ধতিসমূহে যিকোনো অধিবৈজ্ঞানিক প্ৰণালীৰ বিৰুদ্ধে যুক্তিৰ অধিবৈজ্ঞানিক পদ্ধতিৰ পৰা নিজকে হাত সৰাব নোৱাৰে। R.G. Collingwood য়ে কয় যে অধিবিজ্ঞান যে অসম্ভৱ এই নীতিৰ লগত যিয়েই থিতাপি লয়, সি অৱশেষত অধিবিজ্ঞানৰেই কিছুক্ষেত্ৰত প্ৰবৃত্ত হয়।

এই অধ্যায়টিত আমি অধিবিজ্ঞান বিৰোধীত Kant ৰ স্থিতিক পৰীক্ষা কৰি চাম।

৯.৩ অধিবিজ্ঞানৰ সম্ভাৱনীয়তা

দৰ্শনৰ প্ৰতি এক সবিচাৰবাদী দৃষ্টিৰে Kant য়ে তেওঁৰ অধিবিজ্ঞান বিৰোধীৰ বিকাশ ঘটাইছে। "নিৰ্বিচাৰবাদী তন্দ্ৰা" dogmatic slumber ৰ পৰা সাৰ পাই Kant য়ে বিশ্বাস কৰে যে ঈশ্বৰ, ইচ্ছাৰ স্বতন্ত্ৰতা আৰু আত্মাৰ অমৰত্ব আদিক গণ্য কৰি উল্‌ফ (wolff) ৰ অধিবিজ্ঞান সমুচিত। তেওঁ হিউমৰ সংশয়বাদৰ দ্বাৰাও আকৰ্ষিত হোৱা নাই। উল্‌ফৰ দাৰ্শনিক সম্প্ৰদায়ৰ নিৰ্বিচাৰবাদৰ লগতে হিউমৰ সংশয়বাদক পৰিহাৰ কৰাৰ উদ্দেশ্যে, Kant য়ে জ্ঞানৰ এক সবিচাৰবাদ মতবাদৰ পক্ষ সমৰ্থন কৰিছে, য'ত তেওঁ অধিবিজ্ঞানক প্ৰত্যাখান কৰিছে।

এই ভিত্তিত যে অধিবিজ্ঞান বিজ্ঞান নহয়। তেওঁ পোষণ কৰে যে গণিত শাস্ত্ৰ আৰু পদাৰ্থবিজ্ঞানৰ বিপৰীতে অধিবিজ্ঞানে সংশ্লেষক অভিজ্ঞতা পূৰ্ব অৱধাৰণক উৎপন্ন কৰিব নোৱাৰে। তেওঁৰ মতে জ্ঞান হৈছে ইন্দ্ৰিয় অভিজ্ঞতা আৰু অৱবোধৰ প্ৰকাৰসমূহৰ এক সংযোজন; আৰু ইন্দ্ৰিয় অভিজ্ঞতা সম্ভৱ হয় সংবেদনশীলতাৰ কেৱল দুটা অভিজ্ঞতা পূৰ্ব আকাৰৰ সৈতে; সেয়া হ'ল দেশ আৰু কাল। ইন্দ্ৰিয় অভিজ্ঞতা, অৱবোধৰ প্ৰবৰ্গ আৰু সংজ্ঞাৰ আকাৰ — এইবোৰ আৱশ্যকীয় চৰ্তক জ্ঞানৰ সম্ভাৱনীয়তাৰ বাবে কেৱল ব্যৱহাৰিক জগতখনৰ ক্ষেত্ৰতহে প্ৰয়োগ কৰিব পাৰি; আৰু অজ্ঞাত আৰু অজ্ঞেয় বিষয় বা বস্তু সমূহক একাষৰীয়া কৰি থোৱা হয়। যদি পাৰমাৰ্থিক বস্তু বা বিষয়সমূহ অজ্ঞেয় হয়, তেন্তে Kant ৰ মতে অধিবিজ্ঞান সম্ভৱ হ'ব নোৱাৰে। তথাপি, Kant এইখিনিতেই ৰৈ যোৱা নাই। তেওঁ যুক্তি দৰ্শাইছে যে যদিও অধিবিজ্ঞান অসম্ভৱ, তথাপি বৌদ্ধিক লোকৰ অধিবিজ্ঞানত আলোচিত বস্তু বা বিষয়ক জানিবলৈ ইচ্ছা থাকে।

অধিবিজ্ঞানৰ অসাম্ভাৱ্যতাৰ বিষয়ে যুক্তি প্ৰদৰ্শন কৰাত Kant কৃতকাৰ্য্য হৈছে নে নাই এই সন্দৰ্ভত প্ৰশ্ন উদয় হয়। এই স্পষ্ট প্ৰশ্নটো উদয় হৈছে, কাৰণ অজ্ঞাত পাৰমাৰ্থিক বিষয়টো Kant ৰ দৰ্শনৰ ব্যাখ্যাৰ বাবে অতি প্ৰয়োজনীয়। Kant য়ে আমাৰ ইন্দ্ৰিয় অভিজ্ঞতাৰ উৎস হিচাপে পাৰমাৰ্থিক বস্তু বা বিষয়ক সত্য ৰূপে মানি লৈছে। সেয়ে, পাৰমাৰ্থিক বস্তু বা বিষয়সমূহ দেশ কাল বিহীনভাৱে অস্তিত্বশীল হ'ব লাগিব। অতীন্দ্ৰিয়, সত্বা অজ্ঞাত আৰু অজ্ঞেয়, কিন্তু ইয়াৰ অস্তিত্বক জ্ঞানৰ অবিহনেই চিন্তা কৰিব পৰা যায়।

ৰাছেলৰ মতে, "Kant ৰ দৰ্শনত অতীন্দ্ৰিয় সত্বা এক অসুবিধা জনক উপাদান।" তথাপি ইয়াক দাৰ্শনিক আলোচনাৰ পৰা সহজে প্ৰত্যাখ্যান কৰিব নোৱাৰি, যিহেতু ই গুৰুতৰ ভাৰ বহন কৰে। অতীন্দ্ৰিয় সত্বাৰ ধাৰণাটোৰ অসংলগ্নতা আৰু বিৰোধও আছে।

এইবোৰ অসংলগ্নতাৰ ভিতৰত কিছুমান হ'ল—

(১) অতীন্দ্ৰিয়সত্বা অজ্ঞাত; একেসময়তে ইয়াৰ অস্তিত্বক জানিব পাৰি।

(২) অৱবোধৰ প্ৰবৰ্গসমূহক অতীন্দ্ৰিয় বস্তু বা বিষয়ৰ ক্ষেত্ৰত প্ৰয়োগ কৰিব নোৱাৰি, আনহাতে, একেটা সময়তে ই ব্যৱহাৰিক বস্তু নাইবা বিষয়ৰ কাৰণ হিচাপে পৰিগণিত হয়।

অতীন্দ্ৰিয় সত্বাৰ সন্দৰ্ভত Kant ৰ ব্যাখ্যাৰ এইবোৰ অসংলগ্নতা আহিছে এক নিৰ্বিচাৰবাদী চিন্তাৰ পৰা এক অধিক সবিচাৰবাদী স্থিতিলৈ তেওঁৰ চিন্তাত থকা তেওঁৰ পৰিবৰ্তনৰ

পৰা। কিন্তু তেওঁৰ সবিচাৰবাদ অসংলগ্ন হৈ পৰিছে, যিহেতু অতীন্দ্রিয় সত্ত্বা এক স্বতন্ত্র বস্তু, সকলো প্রাথমিক আৰু দ্বিতীয় শ্রেণীৰ গুণৰে সৈতে পৰিগণিত হৈছে আৰু অৱভাসক আত্মগত ইন্দ্রিয় উপাও হিচাপে গ্রহণ কৰা হৈছে। এই ভিত্তিত, অতীন্দ্রিয় বস্তু বা বিষয় প্রকৃতার্থত অনাৱশ্যক হৈ পৰিছে আৰু Kant য়ে সেয়ে অতীন্দ্রিয় সত্ত্বাৰ ধাণাটোক একেবাৰে নষ্ট কৰি পেলোৱাটো উচিত। প্রফেচ্ৰ ৰে তেওঁৰ গ্রন্থ "Kants Solution for verification in Metaphysics" অত দেখুওৱায় যে Kant য়ে ভুলকৈ ব্যাখ্যা আগবঢ়াইছে এই কথা দৃঢ়ভাবে দাবী কৰি যে কেৱল অৱভাসৰ ক্ষেত্রতহে অভিজ্ঞতামূলক জ্ঞান সম্ভৱ, অতীন্দ্রিয় সত্ত্বাৰ ক্ষেত্রত নহয়। তাৰোপৰি তেওঁ এই মতামতকো আপত্তি জনায় যে ইন্দ্রিয় অভিজ্ঞতাৰ দ্বাৰা প্রাপ্ত জ্ঞান মুঠতে ভ্রান্ত বা ÕùÏßÁ¼Drye য়ে দেখুওৱায় যে Kant ৰ দ্বাৰা আগবঢ়োৱা ইন্দ্রিয়গ্রাহ্য আৰু অতীন্দ্রিয় বস্তুৰ মাজৰ পার্থক্যই অভিজ্ঞতামূলক জ্ঞানৰ সীমিত কৰিব নোৱাৰে। তাৰ পৰিবর্ত্তে, পার্থক্যটো কৰা হৈছে বস্তুবোৰক প্রধানকৈ অৱভাস আৰু জ্ঞান স্বৰূপ সত্ত্বা হিচাপে দেখুৱাবলৈহে, লগতে এইটো বুজাবলৈ যে প্রকৃত সত্ত্বাৰ কেতবোৰ অংশ প্রকৃততে আমাৰ ইন্দ্রিয় সংবেদনৰ দ্বাৰা আমি জ্ঞাত হওঁ। Dryer য়ে প্রকাশ কৰিছে Kant য়ে কেনেকৈ যুক্তি আগবঢ়াইছে যে এক সমগ্রতা ৰূপে প্রকৃত সত্ত্বাৰ কোনো জ্ঞান পাব নোৱাৰি। ইয়াৰ কাৰণ হৈছে জগতখনক এক সামগ্রিক হিচাপে কৰা চিন্তা, আমি এটা বস্তুৰ চিন্তা কৰিব লাগে, যাৰ কোনো অভিজ্ঞতামূলক জ্ঞান নাথাকে। Kant য়ে এটা বস্তু দেখিবলৈ কেনে আৰু বস্তুটো আচলতে কি তাক দেখুওৱাবলৈ এই পার্থক্যৰ সূচনা কৰিছে।

এনেধৰণৰ ব্যাখ্যাৰ সৈতে আমি ব্যৱহাৰিক বস্তু বা বিষয়ৰ দৰে অতীন্দ্রিয় বস্তু বা বিষয়কো প্রকৃত ৰূপত ঠিৰাং কৰিব পাৰোঁ। অতীন্দ্রিয় সত্ত্বাবোৰ আমাৰ আগত প্রতিভাত নহয়, ই অভিজ্ঞতামূলক অর্ন্তপ্রজ্ঞাৰ পৰিসীমালৈ নাহিবও পাৰে। যিহেতু অভিজ্ঞতামূলক অর্ন্তপ্রজ্ঞা আমাৰ জ্ঞানৰ চর্তবোৰৰ মাজৰ এটা, সেয়ে, অতীন্দ্রিয় সত্ত্বাৰ জ্ঞান অজ্ঞেয়। কিন্তু যেতিয়াই ই আমাৰ আগত দৃশ্যমান হয়, তেতিয়াই ই আমাক অতীন্দ্রিয় সত্তাৰ বিষয়ে অৱগত কৰায়। সেইকাৰণে, স্বাভাৱিকভাৱে, অধিবিজ্ঞান যদি প্রকৃত সত্ত্বাৰ জ্ঞান, তেন্তে Kant ৰ অধিবিজ্ঞান বিৰোধীতাত অধিবিজ্ঞানৰ সম্ভাৱনীয়তা থাকে আৰু তেওঁক সঠিকভাৱে এজন অধিবৈজ্ঞানিক ৰূপে গ্রহণ কৰিব পৰা যায়।

৯.৪ আভ্যন্তৰীক বনাম অতীন্দ্রিয় অধিবিজ্ঞান

"আধিবৈজ্ঞানিক ব্যৱস্থা" (Metaphysical System) ত S.N. Hampshire য়ে আঙুলিয়াই দেখুওৱাইছে যে Kant যে কোনো ঠাইত এই কথা প্রমাণ কৰা নাই যে অধিবিজ্ঞানৰ দৰে একো বস্তু নাই, তেওঁ কেৱল প্রমাণ কৰিছে যে অতীন্দ্রিয় অধিবিজ্ঞান বুলি একো নাই। Kant বৰং পৰম্পৰাগত অধিবিজ্ঞানৰ অদৃষ্টৰ বিষয়ে সংশয়বাদী, যিহেতু ইয়াত সংশ্লেষক অভিজ্ঞতাপূর্ব জ্ঞান নিহিত থাকে। অতীন্দ্রিয় দর্শনৰ এক নতুন বিজ্ঞানৰ সৈতে পৰম্পৰাগত অধিবিজ্ঞানক স্থানান্তৰ কৰিবলৈ তেওঁ প্রস্তাৱ কৰিছে। এই অনুসন্ধান বস্তুৰ সৈতে বৰ বেছিকৈ

আৰম্ভ হোৱা নাই; বৰঞ্চ বস্তুৰ প্ৰতি আমাৰ জ্ঞানৰ প্ৰকাৰ বা ৰূপৰ সৈতেহে আৰম্ভ হৈছে। Õ»ËüÉýÃ§û÷±ò ðÑÍù ÕÇöÂ îÂêÃÑÇýÃÞ±Ì üy±»ò±ï ±ËÝÁçü÷±ò ðÑÍù¼Kant যে যুক্তি দৰ্শায় যে সংশ্লেষক অভিজ্ঞতা পূৰ্ব নীতিসমূহৰ আভ্যন্তৰীক আধিবৈজ্ঞানিক জ্ঞান আমাৰ আছে, যিয়ে সকলো সাম্ভাব্য মানৰ অভিজ্ঞতাক গঠন কৰে, কিয়নো সিহঁত আমাৰ স্বজ্ঞাৰ বিশুদ্ধ ৰূপ (দেশ ও কাল) আৰু আমাৰ অৱবোধৰ বিশুদ্ধ ধাৰণাৰ ওপৰত ভিত্তিশীল। কিন্তু এই আভ্যন্তৰীক অধিবিজ্ঞানৰ বাবে দিয়া Kant ৰ যুক্তি তেওঁৰ এই দাবীৰ ওপৰত প্ৰতিষ্ঠিত যে মানৰ জ্ঞান আহে কেৱল ধাৰণাবোৰক বুদ্ধিত প্ৰয়োগ কৰাৰ পৰাহে, নাইবা অধিক স্পষ্টকৈ নীতিবোৰৰ মধ্যস্থতাত ধাৰণাবোৰক অৱভাসত প্ৰয়োগ কৰা। এই মুখ্য দাবীয়ে নিৰ্দ্দেশ কৰে সেই অতীন্দ্ৰিয় আধিবৈজ্ঞানিক জ্ঞানক, অৰ্থাৎ বস্তুৰ জ্ঞানক, যিয়ে সাম্ভাব্য মানৰ অভিজ্ঞতাৰ পৰিসৰ অতিক্ৰম কৰে যি আমাৰ বাবে অসম্ভৱ; যিহেতু ই অৰ্ন্তপ্ৰজ্ঞা নাইবা schemata স্বতন্ত্ৰ বাহুল্য ধাৰণাবোৰক জৰিত কৰাব। মুঠতে, এইয়াই হৈছে 'Transcendental Aanlylic' — ত Kant য়ে ক'ব বিচৰা কথা অৰ্থাৎ জ্ঞান স্বৰূপ সত্তা (Things-in-themselves) হিচাপে বস্তুৰ অজ্ঞাত পৰিসৰ বা ক্ষেত্ৰক একাষৰীয়া কৰি ব্যৱহাৰিক জগতত সংশ্লেষক অভিজ্ঞতাপূৰ্ব জ্ঞানৰ সম্ভাৱনীয়তা। তথাপি, Kant য়ে 'Transcendental Dialectic' ত ও যুক্তি প্ৰদৰ্শন কৰিছেযে অতীন্দ্ৰিয় অধিবিজ্ঞান কেৱল সম্ভৱেই নহয়, প্ৰকৃতও। তেওঁ এই স্থিতি প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছে যে বিশেষকৈ তিনিটা অতীন্দ্ৰিয় বস্তুৰ বিষয়ে আমাৰ অভিজ্ঞতাপূৰ্ব জ্ঞান থাকিব পাৰে; মানৰ আত্মা, সমগ্ৰ জগত আৰু ঈশ্বৰ। "Dialectic" ত Kant ৰ প্ৰধান লক্ষ্যসমূহৰ ভিতৰত ই হৈছে এটা, যাক তেওঁ অতীন্দ্ৰিয় আধিবৈজ্ঞানিক দাবীসমূহৰ বাবে যুক্তি বিচাৰি পাবলৈ প্ৰধানকৈ "Critique" ৰ ২য় খণ্ডত আলোচনা কৰিছে।

Kant য়ে জোৰ দিয়ে যে যদিও বিশুদ্ধ বুদ্ধিয়ে প্ৰমাণ কৰিব নোৱাৰে যে এক অমৰ আত্মা, এক পূৰ্ণ আৰু অনিবাৰ্য্য ঈশ্বৰ ইত্যাদি আছে; তথাপি ইয়াক কোনেও মিছা বুলি প্ৰমাণ ও কৰিব নোৱাৰে। এইদৰে, বিশুদ্ধ বুদ্ধিৰ তাত্বিক যুক্তিবোৰে আত্মাৰ অমৰত্ব, ব্যক্তি স্বাতন্ত্ৰ্যতা আৰু ঈশ্বৰৰ অস্তিত্বৰ ওপৰত বিশ্বাসৰ সম্ভাৱনীয়তাৰ বাবে এক ঠাই এৰি থৈ যায়। তেওঁ এইটোও পোষণ কৰিছে যে, অন্য ধৰণেৰে ইয়াক প্ৰমাণ কৰিব নোৱাৰিলে, আমি ভাবি ল'বলৈ বাধ্য যে আমাৰ ক্ষমতাৰ স্বভাৱৰ ওপৰত ভিত্তিশীল সকলোবোৰ বস্তু বা বিষয় সিহঁতৰ সঠিক ব্যৱহাৰৰ সৈতে উদ্দেশ্যমুখী আৰু সংগত হ'বই লাগিব, যদি কেৱল আমি এক নিশ্চিত ভুলধাৰণাৰ বিৰুদ্ধে সিহঁতক ৰক্ষণাবেক্ষন দিব পাৰো আৰু সিহঁতৰ সঠিক দিশক বিচাৰি উলিৱাও। ই এই কথা দেখুৱাবলৈ Kant ক লৈ যায় যে বিশুদ্ধ বুদ্ধি, কল্পনাশীল ভ্ৰান্তিৰ কেৱল এক উৎস হ'ব নোৱাৰে, বৰঞ্চ ইয়াৰ এক যথার্থ ব্যৱহাৰো থাকিব লাগিব। Kant য়ে যুক্তি দৰ্শায় যে বিশুদ্ধ বুদ্ধিৰ যথার্থ ব্যৱহাৰ দুইতৰপীয়াঃ এহাতে, তেওঁ Transcendental Dialectic ৰ পৰিশেষত যুক্তি দিয়ে বিনাচৰ্তৰ বুদ্ধিৰ ধাৰণাসমূহে বৈজ্ঞানিক অনুসন্ধানৰ পৰিচালনাৰ বাবে বৰ লাগতিয়াল "regulative principles" ৰ সৃষ্টি কৰে আৰু আনহাতে তেওঁ "Doctrine of Method" — ত 'বিশুদ্ধ বুদ্ধিৰ বিধি' ত যুক্তি দৰ্শায়ে চৰ্তবিহীন বৈধ নৈতিক আইনবো উদ্ভৱ কৰে। জগতখন

প্ৰকৃততে কেন্ৰে বৰ্ণনাতকৈ ই কেনেকুৱা হোৱা উচিতৰ এক পৰামৰ্শ ৰূপে তেওঁ সেই বৈধ চৰ্তহীন নৈতিক আইনসমূহক উল্লেখ কৰিছে।

এনেকৈ আমি দেখা পাওঁ যে 'Dialectic' ত Kant ৰ যি পৰিকল্পনা, সি 'Analytic' ৰ পৰিকল্পনাৰ পৰা তলত উল্লেখিত দিশসমূহত পৃথক। প্ৰথমে, 'Dialectic' ৰ বিষয়বস্তু সাধাৰণ অধিবিদ্যাৰ বিষয়ে নহয়; বৰঞ্চ বিশেষ অধিবিজ্ঞানৰ পৰম্পৰাগত বিজ্ঞানহে, যি এক বিশেষ সত্ত্বাৰ লগত জড়িত। লাইব্নিজ আৰু উলফ্ ৰ পৰম্পৰাত বিশেষ অধিবিজ্ঞানৰ প্ৰধান বিষয়বোৰ হৈছে — আত্মা (বৌদ্ধিক মনোবিজ্ঞান), সমগ্ৰ জগত (বৌদ্ধিক সৃষ্টিবিজ্ঞান) আৰু ঈশ্বৰ (বৌদ্ধিক ধৰ্মতত্ব)। Kant য়ে এইবোৰক অতীন্দ্ৰিয় অধিবিজ্ঞানৰ বিভাগ হিচাপে বিভক্ত কৰিছে, কাৰণ সিহঁতে বস্তুৰ বিষয়ে অভিজ্ঞতাপূৰ্ব জ্ঞানৰ সৈতে সম্পৰ্ক ৰখাটোক বুজায়, যিয়ে সাম্ভাব্য অভিজ্ঞতাৰ পৰিসৰক অতিক্ৰম কৰে। ২য়তে, অতীন্দ্ৰিয় অধিবিজ্ঞান মানৰ বুদ্ধিৰ কিবা এক স্বাভাৰিক বিষয় আৰু তাক কেতিয়াও নিমূল কৰিব নোৱাৰি। "Transcendental Dialectic" —ৰ প্ৰথম গ্ৰন্থখনৰ পৰিচয় অংশত তেওঁ বুদ্ধিৰ ক্ষমতাৰ বিষয় এটাৰ বিকাশ কৰিছে, যাৰ মতে, মানৰ বুদ্ধিয়ে অনিবাৰ্য্যভাৱে আত্মা, সামগ্ৰিক জগত আৰু ঈশ্বৰৰ ধাৰণাক উৎপন্ন কৰিব পাৰে; তথাপি এইবোৰ ধাৰণা মায়াময়, কিয়নো সিহঁতে আমাক অতীন্দ্ৰিয় বস্তু, চিন্তাৰ অভিজ্ঞতাপূৰ্ব জ্ঞান এৰাব নোৱাৰাকৈ প্ৰদান কৰে যেন লাগে; আনকি সিহঁত কেৱল আত্মগত ধাৰণাহে। Kant য়ে ইয়াত অৱবোধ আৰু বুদ্ধিৰ ক্ষমতাৰ মাজত পাৰ্থক্য নিৰূপন কৰিছে। অৱবোধৰ ধাৰণা আৰু নীতিবোৰে সিহঁতৰ এক অতীন্দ্ৰিয় ব্যৱহাৰক তৈয়াৰ কৰিবলৈ আমাক নিতান্তৰূপে আজ্ঞা নিদিয়ে; এই ভুলটোৰ কাৰণ অৱবোধৰ নীতিবোৰ নিজে নহয়, বৰঞ্চ সিহঁতক ব্যৱহাৰ কৰাৰ আমাৰ ইচ্ছাধীন অপব্যৱহাৰ, যি সমালোচনাত জড়িত হ'বলৈ আমাৰ হাত সাৰিব পৰা ত্ৰুটিবোৰৰ দ্বাৰা ক্ৰমান্বয়ে কাৰণ হৈ পৰে। Kant য়ে অৱবোধৰ নীতিসমূহক স্বাভাৰিক বা আভ্যন্তৰিক (Immanent) আখ্যা দিছে, কাৰণ, সিহঁতৰ সঠিক প্ৰয়োগ সাম্ভাব্য অভিজ্ঞতাৰ সীমাৰ ভিতৰতে সামগ্ৰীকভাৱে আৰু সম্পূৰ্ণভাবে স্থগিত থাকে। কিন্তু "Dialectic" ত তেওঁ বুদ্ধিক এক স্পষ্ট জ্ঞানবিষয়ক ক্ষমতা ৰূপে পৰিচয় কৰাইছে, যাৰ নীতিবোৰক তেওঁ "অতীন্দ্ৰিয়" আখ্যা দিছে, কাৰণ সিহঁতে প্ৰকৃততে সেই সকলোবোৰ সীমাৰ দেওনা ভঙ্গ কৰিবলৈ আৰু সম্ভাৱনামূলক অভিজ্ঞতাৰ সীমা অতিক্ৰমি এক নতুন সামগ্ৰিক ৰাজ্য প্ৰতিষ্ঠা কৰিবলৈ দাবী প্ৰদান কৰাৰ হেতু আমাক উৎসাহ যোগায়। অন্য কথাত, বুদ্ধিয়ে কেৱল নিজে নিজৰ অধিকাৰী হৈ অতীন্দ্ৰিয় বস্তুৰ বিষয়ে অৱধাৰণা গঠন কৰিবলৈ আমাক আকাংক্ষা জন্মায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ কোনে পৰাবিদ্যাক 'প্ৰথম দৰ্শন' হিচাপে অভিহিত কৰিছিল?

প্ৰশ্ন ২ ঃ কাণ্টৰ মতে, অধি পৰাবিদ্যা মানে কি?

প্ৰশ্ন ৩ ঃ বিজ্ঞানৰ ৰাণী হিচাপে কাক জনা যায়?

প্ৰশ্ন ৪ ঃ কাণ্টে কিহৰ ভিত্তিত পৰাবিদ্যাক নাকচ কৰিছিল?

প্ৰশ্ন ৫ ঃ সংবেদনশীলতাৰ অভিজ্ঞতাপূৰ্ব আকাৰ দুটা কি কি?

প্ৰশ্ন ৬ ঃ জ্ঞানৰ তিনিটা গুৰুত্বপূৰ্ণ চৰ্ত কি কি?



৯.৫ অধ্যাটিৰ পৰা আমি কি শিকিলোঁ

- এৰিষ্টটলে অধিবিজ্ঞানক 'প্ৰথম দৰ্শন' হিচাপে বৰ্ণনা কৰিছে, যাক সত্ত্বাৰ বিজ্ঞান হিচাপে বুজিব লাগে।
- অধিবিজ্ঞান বিৰোধী হৈছে চিন্তাৰ এক প্ৰকাৰ, যিয়ে অধিবিজ্ঞানৰ বিলুপ্তিক দাবী কৰে।
- অধিবিজ্ঞানৰ পৰম্পৰাগত অৰ্থক আধুনিক দাৰ্শনিকসকলোৰ দ্বাৰা সমৰ্থিত নহয়, যিসকলে এই মতামত পোষণ কৰে যে এক পূৰ্বানুমানৰ সহায়েৰে সামগ্ৰিক হিচাপে জগতৰ বিষয়ে অধিবৈজ্ঞানিকসকলে দাৰ্শনিকসকলোৰ অভিজ্ঞতাক ব্যাখ্যা কৰিবলৈ যত্ন কৰে।
- দৰ্শনৰ প্ৰতি এক সবিচাৰবাদী দৃষ্টিভঙ্গীৰে Kant য়ে তেওঁ অধিবিজ্ঞান বিৰোধীতাৰ বিকাশ ঘটাইছে।
- Kant য়ে জ্ঞানৰ এক সবিচাৰবাদী মতবাদৰ পক্ষপাতিত্ব কৰিছে, য'ত তেওঁ অধিবিজ্ঞান বিজ্ঞান নহয়ৰ ওপৰত ভিত্তি কৰি অধিবিজ্ঞানক প্ৰত্যাখান কৰিবলৈ চেষ্টা কৰিছে।
- তেওঁ পোষণ কৰে যে গণিতশাস্ত্ৰ আৰু পদাৰ্থবিজ্ঞানৰ বিপৰীতে, অধিবিজ্ঞানে সংশ্লেষক অভিজ্ঞতাপূৰ্ব জ্ঞান দিব নোৱাৰে।
- Kant য়ে অতীন্দ্ৰিয় দৰ্শনৰ এক নতুন বিজ্ঞানৰ সৈতে পৰম্পৰাগত অধিবিজ্ঞানক স্থানান্তৰ কৰিবলৈ আহ্বান জনাইছে।
- Kant য়ে যুক্তি দৰ্শাইছে যে, আমি সংশ্লেষক অভিজ্ঞতাপূৰ্ব নীতিসমূহৰ আভ্যন্তৰীক আধিবৈজ্ঞানিক জ্ঞান পাব পাৰো, যিয়ে সকলো সাম্ভাৱ্য মানৰ অভিজ্ঞতাক গঠন কৰে।
- অতীন্দ্ৰিয় আধিবৈজ্ঞানিক জ্ঞান, অৰ্থাৎ বস্তুৰ জ্ঞান যিয়ে সাম্ভাৱ্য মানৰ অভিজ্ঞতাৰ পৰিসৰক অতিক্ৰম কৰি যায়— সি আমাৰ বাবে অসম্ভৱ।



৯.৬ অধিক জানিবলৈ

(১) Ayer, A.J. Metaphysics and Common sense, (London : Jones and Bartllet Publishers, 1994).

(২) Burnham, Douglas and Young Harvey Kants Critique of Pure Reason, (Edinburg : Edinburg University Press, 2007).

(৩) Cassirer, H. W. Kant's First Critique : An Appraisal of the Parmanent significance of Kant's Critique of Pure Reason. (London : George Allen & Unwin Limited, 1961).

(৪) Collingwood, R.G. An Essay on Metaphysics, (U.S.A : Ox ford University Press, 2002).

(৫) Dryer, D.P. Kant's Solution for verification in Metaphysics. (London : Routsedge, 2016).

(৬) Ewing, A.C., A short Commentary to Kant's Critique of Pure Reason, (London : The University of Chicago Press, 1970).

(৭) Falkenburg, Richard, History of Modern Philosophy (Calcutta : Progressive Publishers, 1977).

(৮) Hampshire, S. N. "Metaphysical system", in the Nature of Metaphysics, edited by D. F. Pears and others, (London : Macmillan, 1956).

(৯) Kant, Immanuel, Critique of Pure Reason, translated by N. K. Smith, (London : Macmillan, 1973).

(১০) ----------, Prolegomena to Any future Metaphysics : That will be Able to Come Forward as science, translated and edited by gary Halfield, (New York : Cambridge University Press, 2004).

(১১) O' Connor, D.J., (ed), A critical History of western Philoso phy, (New York) : The Free Press, 1964.

(১২) Russell, B., History of Western Philosophy, (London : Routledge 2004).

(১৩) Scruteen, Roger Kant, (London : Oxford University Press, 1982).

(১৪) Warnock, G.L. “Criticism of Metaphysics”, in Nature of Meta physics, edited by D. F. Pears and other, (London : Macmillan, 1959).

(১৫) Wood, Allen Kant, (London : Blackwell Publishing, 2005).



৯.৭ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ এৰিষ্টটল

২নং প্রশ্নৰ উত্তৰ ঃ অধিবিজ্ঞান বিৰোধী (anti - metaphysics) হৈছে চিন্তাৰ এক প্রকাৰ, যিয়ে অধিবিজ্ঞানৰ বিনস্ত তাক দাবী কৰে। ই অধিবিজ্ঞানক জ্ঞানৰ অগ্রগতিত এক প্রতিবন্ধক হিচাপে মানি লয়। অধিবিজ্ঞান বিৰোধীয়ে সাব্যস্ত কৰিব বিচাৰে যে অধিবিজ্ঞানে সত্ত্বাৰ কোনো সত্য উক্তি উত্থাপন কৰিব নোৱাৰে; তাৰ পৰিবর্ত্তে ই হৈছে এক প্রকাৰ স্পষ্ট ‘সাথঁৰ’ (Para-dox) আৰু “উজ্বলি থকা অসত্যতা” বিশেষ।

৩নং প্রশ্নৰ উত্তৰ ঃ পৰাবিদ্যা

৪নং প্রশ্নৰ উত্তৰ ঃ পৰাবিদ্যা বিজ্ঞান নহয়

৫নং প্রশ্নৰ উত্তৰ ঃ দেশ আৰু কাল

৬নং প্রশ্নৰ উত্তৰ ঃ ইন্দ্রিয় অভিজ্ঞতা, অববোধৰ প্রবর্গ, সজ্ঞাৰ আকাৰ



৯.৮ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন ঃ

প্রশ্ন ১ ঃ কোনজন দার্শনিকে অধিবিজ্ঞানক (প্রথম দর্শন’ আখ্যা দিছে?

প্রশ্ন ২ ঃ অধিবিজ্ঞান বিৰোধী (anti - metaphysics) বুলিলে কি বুজে?

প্রশ্ন ৩ ঃ Kant ৰ মতে “অতীন্দ্রিয় সত্ত্বা অজ্ঞাত আৰু অজ্ঞেয়” — কথাষাৰ সচাঁ নে?

প্রশ্ন ৪ ঃ Kant ৰ মতে অতীন্দ্রিয় অধিবিজ্ঞান সম্ভৰ নে?

প্রশ্ন ৫ ঃ Kant য়ে তেওঁৰ অধিবিজ্ঞান সম্বন্ধীয় আলোচনাত কি আহ্বান জনাইছে?

(খ) চমু প্রশ্ন (১০০-১৫০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ এৰিষ্টটলে অধিবিজ্ঞানক কিয় 'প্রথম দর্শন' আখ্যা দিছে?

প্রশ্ন ২ ঃ অধিবিজ্ঞান বিৰোধী (anti - metaphysics) ৰ মূল উদ্দেশ্য কি?

প্রশ্ন ৩ ঃ Kant ৰ মতে অতীন্দ্রিয় অধিবিজ্ঞান কিয় সম্ভৱ নহয়?

প্রশ্ন ৪ ঃ Kant য়ে অববোধৰ নীতিসমূহক কিয় আভ্যন্তৰীক (Immanent) বুলি কৈছে?

(গ) ৰচনাধর্মী প্রশ্ন (৩০০-৩৫০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ দর্শনৰ এটা বিভাগ হিচাপে অধিবিজ্ঞানক আলোচনা কৰক।

প্রশ্ন ২ ঃ দর্শনত অধিবিজ্ঞানৰ সম্ভাৱনীয় সম্পর্কে আলোচনা কৰক।

প্রশ্ন ৩ ঃ Kant ৰ মতে অধিবিজ্ঞান সম্ভৱ নে? ব্যাখ্যা কৰক।

প্রশ্ন ৪ ঃ Kant ৰ মতে অধিবিজ্ঞান বিৰোধী মতটো উল্লেখ কৰক। এই সন্দর্ভত Kant ৰ অৱস্থিতি আলোচনা কৰক।

****